**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 01-04-2025 **Time :** 0755Hrs.

**Assamese Morning Bulletin**

অহা ৫ এপ্ৰিলৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথত আয়োজিত অনুষ্ঠানত প্ৰকাশ কৰে। পঞ্চায়ত নিৰ্বাচনৰ লগতে বি টি আৰ নিৰ্বাচনৰ বাবেও ৰাজ্যিক বিজেপিয়ে যাৱতীয় তৎপৰতা আৰম্ভ কৰিছে। এই অনুসৰি কালি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই পঞ্চায়ত নিৰ্বাচনৰ বাবে ৩১ খন জিলাত প্ৰভাৰী আৰু সহ-প্ৰভাৰী নিয়োগ কৰিছে। ১৪ গৰাকী মন্ত্ৰীক জিলা প্ৰভাৰীৰ বিশেষ নিৰ্বাচনী দায়িত্ব অৰ্পণ কৰা হৈছে। তদুপৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যিক বিজেপিয়ে মন্ত্ৰী পীযুষ হাজৰিকাক আহ্বায়ক হিচাপে লৈ এখন নিৰ্বাচনী ব্যৱস্থাপনা সমিতি আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক আহ্বায়ক হিচাপে লৈ ইস্তাহাৰ সমিতি গঠন কৰিছে। একেদৰে বি টি আৰ নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, কেইবাগৰাকী মন্ত্ৰী আৰু দলৰ অন্যান্য বিষয়ববীয়াক লৈ এখন কৰ্ণধাৰ সমিতি গঠন কৰা হৈছে। এই সমিতিয়ে বি টি আৰ নিৰ্বাচনৰ সকলো দিশ তদাৰক কৰাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ দিব। কৰ্ণধাৰ সমিতিখনত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা, পীযুষ হাজৰিকা, অশোক সিংহল, কৌশিক ৰায়কে ধৰি ভালেসংখ্যক সদস্য অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আন্তঃক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰিব। মহাবিদ্যালয়খনত এক কোটি ৭০ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ স্থাপন কৰিবলগীয়া এই ক্ৰীড়া প্ৰকল্পটোত দুখন বেডমিণ্টন কোৰ্ট, ৪ খন টেবল টেনিছ কোৰ্ট আৰু যোগাভ্যাস, শৰীৰচৰ্চা আৰু কাৰ্যালয়ৰ বাবে এটাকৈ কোঠা উপলব্ধ হ'ব। অনুষ্ঠানত ৯ দুৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই মুখ্যমন্ত্ৰীক সংগ দিব।

০০০০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে লখিমপুৰতো আজিৰে পৰা জিলাখনৰ সকলো গাঁও পঞ্চয়াত পৌৰসভা এলেকাত জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ উদ্যোগত একোটিকৈ স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হ'ব। জিলাখনত ৮৭ টা এনে ধৰণৰ শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰে প্ৰথম শিবিৰ তথা জিলা পৰ্যায়ৰ আৰম্ভণি অনুষ্ঠান কাইলৈ পদ্মনাথ গোহাঁই বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা হৈছে। লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকাই উদ্বোধন কৰিবলগীয়া এই শিবিৰটোত ৫ জনকৈ বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়োৱাৰ লগতে বিনামূলীয়া ঔষধো প্ৰদান কৰা হ'ব।

০০০০০০০

গহপুৰত অনুষ্ঠিত জিলা মইনা পাৰিজাতৰ তৃতীয় দ্বিবাৰ্ষিক শিশু সমাৰোহৰ কালি সামৰণি পৰে। তিনি দিনীয়া কাৰ্যসূচীৰে মধ্য ছয়দুৱাৰ আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত অনুষ্ঠিত শিশু সমাৰোহ থলী কন কন শিশুসকলৰ মাতত মুখৰিত হৈ পৰে। গহপুৰৰ কলাবাৰী, ছয়দুৱাৰ আদি অঞ্চলৰ বিভিন্ন শাখা মইনা

পাৰিজাতৰ পৰা অহা প্ৰায় তিনিশৰো অধিক শিশু আৰু শিশুপ্ৰেমী ব্যক্তিৰ উপস্থিতিত কালি মূল সভাখন অনুষ্ঠিত হয়। সভাখনত সদৌ অসম মইনা পাৰিজাতৰ সহকাৰী সম্পাদক দ্বিজেন বৰা, মুখ্য অতিথি, নগাঁও জিলা মইনা পাৰিজাতৰ সম্পাদক বিশ্বজিৎ কাকতি আৰু সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক সদস্য শৰৎ মহন্তই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে।

0000000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে।

পূৰ্বে সাত বাজি ৫ মিনিটত প্ৰচাৰিত 'জিলাৰ ৰেহৰূপ' অনুষ্ঠান আকাশবাণী সঞ্চালকৰ নিৰ্দেশ অনুসৰি আজিৰ পৰিৱৰ্তে অহা ৬ এপ্ৰিলৰ পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। ঠিক একেদৰে দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি অহা ৬ এপ্ৰিলৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব। বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰো ৬ এপ্ৰিলৰ পৰা বন্ধ কৰা হ'ব।

00000

শিলচৰৰ ৰামনগৰ বাইপাছত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহী যুৱকৰ মৃত্যু হোৱাৰ লগতে দুজন লোক গুৰুতৰভাৱে আহত হয়। মৃত যুৱকজন বৰখলা অঞ্চলৰ দুৰ্গাপুৰ গাঁৱৰ বাসিন্দা ফিৰদৌছ আলম বৰভূঞা বুলি জানিব পৰা গৈছে। দুচকীয়া বাহনেৰে অহা যুৱকগৰাকীৰ আন এখন দুচকীয়া বাহনৰ সৈতে খুন্দা লগাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত সপ্তৰ্ষি সিংহ আৰু বিশাল সিংহ নামৰ দুজন লোক গুৰুতৰভাৱে আহত হয়। তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰি চিকিৎসা প্ৰদান কৰি থকা হৈছে।

0000000

আই পি এল টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগীতাৰ এখন খেলত কালি নিশা মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে মাত্ৰ দুটা উইকেট হেৰুৱাই ১২ অভাৰ আৰু ৫ টা বলত ১১৭ ৰানৰ লক্ষ্য ভেদ কৰে। দলটোৰ হৈ অ'পেনাৰ ৰায়ন ৰিকেলটনে ৪১টা বলত আউট নোহোৱাকৈ ৬২ ৰান সংগ্ৰহ কৰে। আনহাতে সূৰ্য্যকুমাৰ যাদৱে মাত্ৰ ৯টা বলত ২৭ ৰান কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি কলকাতা নাইট ৰাইডাৰ্ছে ১৬ অভাৰ আৰু দুটা বলত ১১৬ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুওৱাই। কলকাতাৰ হৈ অংকৃশ ৰঘুবংশীয়ে ২৬ ৰান সংগ্ৰহ কৰে। বিপৰীতে মুম্বাইৰ হৈ ৪টা উইকেট দখল কৰা অশ্বিনী কুমাৰক প্লেয়াৰ অব দ্যা মেচ সন্মান প্ৰদান কৰা হয়। আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েন্টছে পঞ্জাব কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

0000000

**সমাপ্ত**